# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 02-07-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি ৰাজ্যৰ বিভিন্ন আন্তঃগাঁথনি প্ৰকল্প সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই প্ৰকল্পসমূহৰ কাম সময়মতে সম্পূৰ্ণ কৰাৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সহযোগিতা কামনা কৰে। শ্ৰীগাডকাৰীয়ে প্ৰকল্পসমূহৰ কাম নিৰ্ধাৰিত সময়ত আৰু দক্ষতাৰে সম্পূৰ্ণ কৰাৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সহায়-সহযোগিতাৰ আশ্বাস দিয়ে। তেওঁ লগতে এই প্ৰকল্পসমূহে আঞ্চলিক যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰা তথা বাণিজ্য পথসমূহৰ সম্প্ৰসাৰণৰ উপৰি উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব বুলি মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ অৰবিন্দ পানাগাৰিয়াকো সাক্ষাৎ কৰে। তেওঁলোকে পুঁজি হস্তান্তৰ সন্দৰ্ভত অসমৰ অন্যান্য দিশ সন্দৰ্ভত আলোচনা কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি বিহাৰৰ কেবিনেট মন্ত্ৰী অশোক চৌধুৰী, লাইফ কেয়াৰ লিমিটেডৰ অধ্যক্ষ জয়েশ ছাইনি তথা আই চি আই চি আই ফাউণ্ডেছন আৰু আই চি আই চি আই বেংকৰ প্ৰতিনিধিসকলৰ সৈতেও ৰাজ্যখনৰ উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহা ৫ জুলাইত বাক্সাৰ জালাহত ৰাইজৰ সৈতে চৰকাৰী আঁচনি আৰু ৫টা মণ্ডলৰ কৰ্মকৰ্তাৰ সৈতে বি টি চি নিৰ্বাচন সম্পৰ্কত মত বিনিময় কৰিব। জিলা প্ৰশাসনে এই কাৰ্যসূচী সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ  কৰিছে। মুখ্যমন্ত্ৰীয়ে প্ৰথমে মুছলপুৰত  ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ পৰ্যালোচনা সভাত অংশ ল'ব বুলি বি টি আৰৰ কাৰ্যবাহী সদস্য গৌতম দাসে জনাইছে। ইয়াৰ পাছত তেওঁ জালাহৰ শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ প্ৰাংগণত আয়োজিত সভাত ৫টা মণ্ডলৰ প্ৰায় ৩৫০০ কৰ্মকৰ্তাৰ সৈতে মত বিনিময় কৰিব। মুখ্যমন্ত্ৰীৰ বাক্সা ভ্ৰমণৰ পূৰ্বে আজি বিয়লি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই জালাহত প্ৰস্তুতিৰ বুজ লয়। মন্ত্ৰীগৰাকীক বিধায়ক ফণীধৰ তালুকদাৰকে ধৰি অন্যান্য নেতা কৰ্মীসকলে সংগ দিয়ে।

০০০০

শ্ৰীমন্ত শংকৰদেৱ  কলাক্ষেত্ৰ সমাজ আৰু মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ মাজত আজি **কালচাৰেল মেপিং অৰ আৰ্ট এণ্ড এথনিছিটি অৰ আচাম** বিষয়ক এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ অধীনত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ আৰু মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ মাজত কলা, সংস্কৃতি আৰু গৱেষণামূলক তথ্যৰ আদান-প্ৰদানৰ অভিলাষী লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ

কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য নিৰোদ বৰুৱা, কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰকে ধৰি ভালেকেইগৰাকী  ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পুজাৰী, বিশিষ্ট অভিনেতা তপন দাস আৰু পুৰাতত্ব সঞ্চালকালয়ৰ সঞ্চালক ড° দিপিৰেখা কুলীক মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অনুশীলন অধ্যাপক হিচাপে আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ প্ৰদান কৰা হয়।

০০০০

গ্ৰীষ্মবন্ধৰ সময়ত কোনো ধৰণৰ বাধ্যতামূলক শ্ৰেণীৰ বাবে বিদ্যালয় শিক্ষা বিভাগ বা সমগ্ৰ শিক্ষা অভিযানে কোনো নিৰ্দেশনা জাৰি কৰা নাই বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। অৱশ্যে বিদ্যালয় পৰিচালনা সমিতি আৰু বিদ্যালয় পৰিচালনা তথা উন্নয়ন সমিতিক গ্ৰীষ্মকালিন বন্ধৰ সময়ত স্বেচ্ছাই আগ্ৰহী শিক্ষকৰ জৰিয়তে পৰিপূৰক শ্ৰেণীৰ পাঠদান আৰু বিনোদনমূলক সহ পাঠ্যক্ৰমৰ কাৰ্যকলাপ অনুষ্ঠিত কৰিবলৈ পৰামৰ্শ দিয়া হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। পূৰ্বেও বিদ্যালয়সমূহে এনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি বনাঞ্চলৰ পৰা অবৈধভাৱে কাঠ সৰবৰাহ কৰা দুখন বাহন আজি বন বিভাগে জব্দ কৰে। বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ অচিলা লৈ একাংশ লোকে অবৈধভাৱে এই কাঠখিনি সৰবৰাহৰ চেষ্টা কৰিছিল। বন বিভাগে লংকা অভিমুখে গৈ থকা অৱস্থাত কাঠ ভৰ্তি বাহন দুখন জব্দ কৰিবলৈ সমৰ্থ হয়।

০০০০

ৰাজ্য চৰকাৰ তথ্য প্ৰযুক্তি বিভাগ আৰু এইচ ডি এফ চি বেংকৰ যৌথ উদ্যোগত বিত্ত প্ৰযুক্তি বিষয়ক দক্ষতা বিকাশৰ বাবে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তথ্যপ্ৰযুক্তি আৰু বিজ্ঞান মন্ত্ৰী কেশৱ মহন্তই আজি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত **জিলিঙণী** শীৰ্ষক এই কাৰ্যসূচী উদ্বোধন কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে বিত্ত প্ৰযুক্তি সম্প্ৰতি কৰপৰেট জগতৰ মূল চালিকা শক্তিৰূপে পৰিগণিত হৈছে আৰু ভৱিষ্যতে  দক্ষতা সম্পন্ন যুৱ প্ৰজন্মৰ বাবে খণ্ডটোৱে নিয়োগ আৰু উত্তৰণত অপাৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব। প্ৰশিক্ষণ কাৰ্যসূচীয়ে শিক্ষাৰ্থীসকলক বিত্ত সেৱা খণ্ডত ৰিয়েল ৱৰ্ড স্কীল আৰু নব্য বিকশিত প্ৰযুক্তিৰ অভিজ্ঞতা আহৰণেৰে বেংকিং তথা কৰ্পৰেট খণ্ডত নিযুক্তি লাভ কৰিব পৰাকৈ সাজু কৰি তুলিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত শৃংখলাৰ দ্বিতীয়খন টেষ্ট মেচ আজি বাৰ্মিংহামৰ এজবেষ্টনত আৰম্ভ হৈছে। এইখন খেলতো ইংলেণ্ডৰ অধিনায়ক বেন ষ্ট'কে টচত জিকি ভাৰতক বেট ধৰিবলৈ আমন্ত্ৰণ জনায়।

ভাৰতে প্ৰথম ইনিংছত আমালৈ বাতৰি অহাৰ পৰলৈকে  ৫ টা উইকেট হেৰুৱাই ২১২ ৰান সংগ্ৰহ কৰিছে। শুভমন গীলে ৫৯ কৰি খেলি আছে। য়শ্বসী জয়ছোৱালে ৮৭ ৰান কৰি বেন ষ্টোকছৰ বলত আউট হয়। ইয়াৰ পূৰ্বে ভাৰতে ভোজন বিৰতিৰ আগলৈকে প্ৰথম ইনিংছত দুটা উইকেটৰ বিনিময়ত ৯৮ ৰান সংগ্ৰহ কৰিছিল। আজি ভাৰতীয় দলত ৱাশ্বিংটন সুন্দৰ আৰু আকাশদীপক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০

সমাপ্ত